

# লেখক শিৱনাথ বৰ্মন

অঞ্জনা বৰ্মন

পুৰণি কামৰূপ জিলাৰ নলবাৰীৰ চামতা অঞ্চলৰ 'নাৰীৰ শান্তি দূত' আদি গ্ৰন্থৰ লেখক সাহিত্যিক কাশীনাথ বৰ্মনৰ পুত্ৰ শিৱনাথ বৰ্মন আছিল জন্মসূত্ৰে যোৰহটীয়া আৰু জীৱনৰ আদিকাল কটাইছিল উজনিৰ নাজিৰাত। বৰ্মনে তেওঁক আত্মজীৱনী 'প্ৰত্যাৱৰ্তন'ত উল্লেখ কৰা মতে তেওঁ একেৰাহে লিখিব লৈছিল ১৯৬৮ চনৰপৰা।

পঢ়া কালত তাত্ত্বিক পদাৰ্থবিজ্ঞানী হোৱাৰ সপোন দেখা বৰ্মনে তেনে সুযোগৰ অভাৱত পোনতে জনপ্ৰিয় বিজ্ঞান লেখক হিচাপে ভুমুকি মাৰে। লেখক জীৱনৰ প্ৰাক্ কালত তেওঁ 'অসম বিজ্ঞান সমিতি'ৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল আৰু সমিতিৰ দ্বাৰা প্ৰকাশিত 'বিজ্ঞান জেউতি' নামৰ আলোচনীত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু গণিতলৈ অৱদান যোগোৱা বিজ্ঞানীসকলৰ জীৱনী ধাৰাবাহিকভাৱে লিখিবলৈ লয়। পৰৱৰ্তী সময়ত এই জীৱনীবোৰৰ একত্ৰ সংকলন 'বিশ্বৰ বৰেণ্য বিজ্ঞানী' নামেৰে প্ৰকাশ পায়। ১৯৭২ চনমানত 'আইনষ্টাইন আৰু পদাৰ্থ বিজ্ঞান' নামৰ গ্ৰন্থখন লিখি উলিয়ায়। ১৯৭৮ চনত প্ৰকাশ পোৱা এই গ্ৰন্থখন বৰ্মনৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ।

জ্ঞান পিপাসু বৰ্মনৰ জ্ঞান-চৰ্চা বিজ্ঞান সাহিত্যতে সীমাবদ্ধ নাথাকি দৰ্শন, সমাজ, সাহিত্যৰ ফালেও ধাবিত হ'বলৈ ধৰিলে। ফলত ১৯৭০ চনত বাৰ্ট্ৰাণ্ড ৰাছেলৰ মৃত্যুৰ সময়ত 'ৰাছেল প্ৰশস্তি' নাম দি এটি প্ৰবন্ধ লিখি উলিয়ায়। এই প্ৰবন্ধটো আৰ্য মহাবিদ্যালয়ৰ আলোচনী 'এৰিয়ান'ত প্ৰকাশিত হয়। বৰ্মনে উল্লেখ কৰা মতে, বিজ্ঞানৰ বাহিৰৰ এইটোৱেই বৰ্মনৰ প্ৰথম প্ৰকাশিত প্ৰবন্ধ। সময়ত সাহিত্য, সমাজ, দৰ্শন আদি বিষয়ত লিখা প্ৰবন্ধবোৰ তাহানিৰ নীলাচল কাকতৰ পূজা বা বিহু সংখ্যা, নতুন পৃথিৱী, সাম্প্ৰতিক সাময়িকী, প্ৰকাশ, আমাৰ প্ৰতিনিধি আদি বিভিন্ন কাকতত প্ৰকাশ হ'বলৈ ধৰে। এইবোৰৰ কিছু নিৰ্বাচিত প্ৰবন্ধ 'ন মনুস্যাৎ' নামৰ তেওঁৰ দ্বিতীয়খন গ্ৰন্থ ৰূপে প্ৰকাশ পায় ১৯৮২ চনত।

> পঢ়া কালত তাত্ত্বিক পদাৰ্থবিজ্ঞানী হোৱাৰ সপোন দেখা বৰ্মনে তেনে সুযোগৰ অভাৱত পোনতে জনপ্ৰিয় বিজ্ঞান লেখক হিচাপে ভুমুকি মাৰে। লেখক জীৱনৰ প্ৰাক্ কালত তেওঁ 'অসম বিজ্ঞান সমিতি'ৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল আৰু সমিতিৰ দ্বাৰা প্ৰকাশিত 'বিজ্ঞান জেউতি' নামৰ আলোচনীত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু গণিতলৈ অৱদান যোগোৱা বিজ্ঞানীসকলৰ জীৱনী ধাৰাবাহিকভাৱে লিখিবলৈ লয়।

তদুপৰি নতুন পৃথিৱীত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা বেদ বীক্ষা নামৰ প্ৰবন্ধলানিত ভাৰতীয় ঐতিহ্যৰ আধাৰ বেদত কেনে ধৰণৰ চিন্তা-চৰ্চা হৈছিল আৰু পৰৱৰ্তী সময়ত হিন্দু আৰু বৌদ্ধ ধৰ্মৰ বিকাশ আৰু বিশ্লেষণ পোৱা যায়। এইলানি লিখনি কিছু পৰিমাৰ্জন কৰি 'ভাৰতীয় চিন্তা' নামে পৰৱৰ্তী সময়ত প্ৰকাশ পায়।

নতুন পৃথিৱীতে ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা 'ধৰ্ম মেজিক আৰু সমাজ' নামৰ আন এলানি প্ৰবন্ধও 'লোক কৃষ্টিৰ উৎস' নামেৰে পিছৰ কালত গ্ৰন্থ আকাৰে প্ৰকাশ হৈ ওলায়।

১৯৭৯ চনৰ শেষৰ ফালে অসমত 'বিদেশী খেদা' আন্দোলনৰ আৰম্ভণি ঘটে। কেইবাটাও বছৰ জুৰি চলা এই আন্দোলনৰ আৱেগিকতাত উটি ভাহি নগৈ আন্দোলনটোৰ উৎস বিচাৰি লিখি উলিয়াইছিল 'স্বদেশ স্বমত' নামৰ গ্ৰন্থখন।

অসমৰ জনজাতিসকলৰ আন্দোলনৰ সময়ত ইয়াৰ কাৰণ বিশ্লেষণ কৰি লিখিছিল 'অসমৰ জনজাতি সমস্যা' নামৰ গ্ৰন্থখন।

ইংৰাজ আমোলাৰ সময়ৰপৰাই মানুহৰ মনত খোপনি পোতা 'বঙালী আমোলাৰ ষড়যন্ত্ৰ' নামৰ ধাৰণাটো যে এটা ভ্ৰান্ত ধাৰণা ইয়াক যুক্তিৰে বিশ্লেষণ কৰি প্ৰসেনজিৎ চৌধুৰীৰ সৈতে যুটীয়াকৈ লিখিছিল 'বাস্তৱ নে বিভ্ৰম' নামৰ কিতাপখন। এই গ্ৰন্থখনৰ বাংলা অনুবাদ সম্প্ৰতি গ্ৰন্থাকাৰে প্ৰকাশ পাইছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক এজন যুগনায়ক হিচাপে প্ৰতিষ্ঠিত কৰি তেৱাঁৰ জীৱনকালৰ পৰিৱেশৰ সৈতে অধ্যয়ন কৰি মহাপুৰুষজনাই অসমীয়া সমাজলৈ দি থৈ যোৱা অৱদানৰ বিস্তৃত আলোচনাৰে তেওঁ লিখি উলিয়াইছিল 'শ্ৰীমন্ত শংকৰদেৱ কৃতি আৰু কৃতিত্ব' নামৰ আৰু ইংৰাজীত 'An Unsung Colossus ' নামৰ পুথি দুখন।

অসমৰ সমাজ, সাহিত্য নানা দিশত কৃতিত্বৰ চানেকি থৈ যোৱা কৃতিমানসকলে যাতে সময়ৰ সোঁতত হেৰাই নাযায় সেই কথা ভাবি অসমৰ চুক-কোণৰ পৰা সেইসকলৰ কৰ্মজীৱনৰ সমল গোটাই একক প্ৰচেষ্টাৰে ডেৰ সহস্ৰাধিক চমু জীৱনী সন্নিৱিষ্ট কৰি লিখিলে 'অসমীয়া জীৱনী অভিধান'।

অসমীয়া সাহিত্যত সচৰাচৰ দেখিবলৈ পোৱা বানান বিভ্ৰাটৰ সমস্যাৰ সমাধানৰ বাবে লিখিলে 'অসমীয়া আখৰ জোঁটনীৰ কথা' নামৰ কিতাপ।

এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি জীৱনৰ অন্তিম কাললৈ তেওঁৰ কলম থমকি ৰোৱা নাছিল। ফলস্বৰূপে প্ৰকাশ পাইছিল অসমীয়া, ইংৰাজী আৰু অনুবাদ গ্ৰন্থৰে সৈতে তেওঁৰ চৌচল্লিশখন মৌলিক গ্ৰন্থ। ইয়াৰে এখন অনুবাদ গ্ৰন্থ ৰবীন্দ্ৰ কুমাৰ দাসৰ লগত যুটীয়াকৈ লিখা। একক আৰু যুটীয়াকৈ সম্পাদিত কৰিছিল চৌবিশখন গ্ৰন্থ এককভাৱে সম্পাদনা কৰিছিল পাঁচখনকৈ আলোচনী।

জ্ঞান পিপাসু অসমৰ সমাজ, সাহিত্য, শিক্ষা আদিৰ প্ৰতি অতি সচেতন ব্যক্তিজনৰ কলম জীৱনৰ শেষ পৰ্যায়লৈ থমকি ৰোৱা নাছিল। শেষৰ চাৰিবছৰমান তেওঁৰ স্বাস্থ্যই সহযোগ নকৰিলেও তেওঁৰ চিন্তাত স্থবিৰতা আনিব পৰা নাছিল। সেয়েহে শৰীৰৰ অতি শোচনীয় অৱস্থাতো তেওঁৰ ৰচনাৰাজি একত্ৰিত কৰি 'শিৱনাথ বৰ্মনৰ ৰচনা সম্ভাৰ' নামেৰে তেওঁৰ জীৱন কালতে তেওঁ লিখা সকলো প্ৰকাশিত লিখনি একত্ৰিত কৰি পুথি আকাৰে যুগুতাই থৈ গৈছিল।

# ব্যক্তি আৰু প্ৰতিভা

# সুৰেশ শৰ্মা

দেৱ প্ৰসাদ মিশ্ৰ

বিদ্যালয়ত পঢ়ি থাকোঁতেই এটা প্ৰবচন পঢ়িবলৈ পাইছিলোঁ— 'Genius is ninety nine percent perspiration and one percent inspiration'. প্ৰতিভা শতকৰা ৯৯ ভাগ কঠোৰ পৰিশ্ৰমৰ ফলশ্ৰুতি আৰু এভাগহে অনুপ্ৰেৰণা। আন এটা উক্তি শ্বেইক্সপীয়েৰৰ নাটকত পঢ়িছিলোঁ, 'some are born great, some achieve greatness and some have greatness thrust upon them' অৰ্থাৎ কিছুমান মানুহ জন্মতে ডাঙৰ হৈ জন্মে, কিছুমানে চেষ্টা কৰি মহান হয় আৰু আন কিছুমানৰ ওপৰত মহত্ত্ব জাপি দিয়া হয়। আমি আজি ইয়াত উল্লেখ কৰিব বিচৰা এগৰাকী ব্যক্তি যিগৰাকীয়ে কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ বলত জীৱনৰ বহু বাধা-বিঘিনি আৰু প্ৰতিবন্ধকতা অতিক্ৰম কৰি সাহিত্যৰ জগতখন বিশেষকৈ অনুবাদ সাহিত্যত বহু বৰঙণি আগবঢ়াব পাৰিছে। মূলতঃ মিছাইল মেন অভিধাৰে খ্যাত এ পি জে আব্দুল কালামৰ পোন্ধৰখনতকৈ অধিক গ্ৰন্থ অনুবাদ কৰি সাহিত্যৰ জগতখন চহকী কৰিছে আৰু লগতে ডঃ কালামৰ তিনিবাৰকৈ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হোৱা এইগৰাকী ব্যক্তি হৈছে সুৰেশ শৰ্মা। ১৯৫৫ চনৰ ২৬ আগষ্টত কামৰূপ জিলাৰ সমীপৱৰ্তী বাইহাটা চাৰিআলিৰ ঐতিহাসিক পিঙ্গলেশ্বৰ গাঁৱত জন্মগ্ৰহণ কৰা শৰ্মাই প্ৰাথমিক শিক্ষা পিঙ্গলেশ্বৰতে লাভ কৰি কৰৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা সুখ্যাতিৰে পাছ কৰি কটন কলেজৰ (বৰ্তমানৰ কটন বিশ্ববিদ্যালয়) পৰা সংস্কৃতত সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ইংৰাজী বিষয়ত এম এ পাছ কৰে। স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত শৰ্মাই গুৱাহাটী উচ্চ ন্যায়ালয়ত অনুবাদক হিচাপে যোগদান কৰি পিছলৈ অনুবাদ বিভাগৰ বিশেষ বিষয়া হিচাপে পদোন্নতি লাভ কৰি ২০১৫ চনত চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পাছতো তিনি বছৰ কাল শৰ্মাই অসম জুডিচিয়েল একাডেমীৰ অতিথি প্ৰবক্তা হিচাপে ২০১৮ চনলৈ সেৱা আগবঢ়ায়। শিশু অৱস্থাতে শৰ্মাক পলিঅ' ৰোগে আক্ৰমণ কৰাৰ ফলত এখন ভৰি চিৰদিনৰ বাবে অকামিলা হৈ পৰা সত্ত্বেও শাৰীৰিক প্ৰতিবন্ধকতাক নেওচি সাহিত্য সাধনাত ব্ৰতী হোৱা শৰ্মাই অনুবাদ সাহিত্যৰ বাবে ২০১১ চনতে কালামৰ কালজয়ী গ্ৰন্থ 'Indomitable Spirit'ৰ অসমীয়া অনুবাদ 'অদম্য শক্তি'ৰ বাবে সাহিত্য একাডেমীৰ অনুবাদ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ শ্ৰীশৰ্মাই অনুবাদ কৰা গ্ৰন্থসমূহ হৈছে অগ্নিৰ ডেউকা (২০০২, Wings of Fire, ১৯৯৯) তেজস্বী মন (২০০৩), (Ignited Minds, ২০০২), ভাৰতবৰ্ষ (২০২০) (India, ২০২০) মিছন ইণ্ডিয়া (২০০৭, (Mission India, ২০০৫) পথ প্ৰদৰ্শক আত্মা (২০০৫) (Guiding Souls, ২০০৫), অদম্য শক্তি (২০০৭ (Indomitable Spirit), আমাৰ সপোন (২০০৮) (Children Ask Kalam), ভাৰতৰ আত্মা (২০১৩) (Spirit of India), পৰিয়াল আৰু ৰাষ্ট্ৰ (২০১১) (the Family and the Nation), ৰাষ্ট্ৰপতি কালামৰ সান্নিধ্য (২০০৮) (Kalam Effect), টাৰ্ণিং পইণ্টছ (২০১৪) (Turning Points), কালামৰ অমৃত বাণী (২০১৬), (Inspiring Thoughts), চিৰ জ্যোতিস্মান হোৱা (২০১৭) (You are born to Blossom)। কালামৰ একান্ত অনুৰাগী ভক্ত শৰ্মাই আন তিনিখন মূল্যৱান গ্ৰন্থ 'কালামৰ সুবচন' 'কালামৰ বাণী মুকুতা' আৰু 'কালামৰ এলানি শপত বাক্য'ও প্ৰকাশ কৰি উলিয়াইছে। ২০২১ চনত প্ৰকাশিত 'কালামৰ বাণী মুকুতা'ৰ এটা উল্লেখনীয় দিশ হৈছে লেখকৰ হাতৰ আখৰেৰে কিতাপখনৰ প্ৰতিটো পৃষ্ঠা সজোৱা হৈছে। শ্ৰীশৰ্মাৰ হাতৰ আখৰ সুন্দৰ, ছপা আখৰৰ দৰে। শৰ্মাৰ লগত কথা-বতৰা হওঁতে এই লেখকক জনোৱা মতে কেলিগ্ৰাফীৰ (Calligraphy) ক্লাছ তেওঁ চাকৰি জীৱন আৰু অৱসৰৰ পাছতো কৰিছিল। আমি শুনিবলৈ পাইছোঁ তেওঁৰ সহপাঠী বন্ধুৰ পৰা যে কটন কলেজৰ ছাত্ৰ হৈ থাকোঁতে বিভিন্ন ছাত্ৰাৱাস আৰু অন্যান্য ঠাইৰ পৰাও ছাত্ৰ-ছাত্ৰী তেওঁৰ সুন্দৰ হাতৰ আখৰৰ নমুনা চাবলৈ আহিছিল। শৰ্মাৰ অধিকাংশ অনূদিত গ্ৰন্থ পাণবজাৰৰ জ্যোতি প্ৰকাশনে প্ৰকাশ কৰি উলিয়াইছে। ইয়াৰ বাহিৰেও শৰ্মাৰ লয়াৰ্ছ বুক ষ্টল, পুথি নিকেতন আদি প্ৰকাশকে প্ৰকাশ কৰা কিছুসংখ্যক গ্ৰন্থ হৈছে হাঁহিৰ ৰজা মোল্লা নাছিৰুদ্দিন, কৌতুক সম্ৰাট গোপাল ভাৰৱীয়া, বুদ্ধিৰ সম্ৰাট বীৰবল, প্ৰাৰ্থনা সংগীত, সতী বেউলাৰ সাধু, তিনিটা বিদেশী সাধু, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, অকণিৰ ৰামায়ণৰ মৌ কোঁহ, অকণিৰ যীশু, অকণিৰ সাধু, নাৱিক চিন্দাবাদৰ সমুদ্ৰ অভিযান, ঈশ্বৰ ভক্ত ধ্ৰুৱৰ উপাখ্যান, ৰজা হৰিশ্চন্দ্ৰৰ উপাখ্যান ইত্যাদি। শৰ্মাৰ অনূদিত গল্প সংকলনৰ ভিতৰত ভাৰতীয় বিভিন্ন ভাষাৰ গল্প বৰফৰ ফুল, সম্পাদিত গ্ৰন্থৰ ভিতৰত নৰকান্ত বৰুৱা ঘৰুৱা মেল, লক্ষ্যধৰ চৌধুৰীৰ বাটৰ হাট ইত্যাদি। শৰ্মাৰ অনূদিত উপন্যাসৰ ভিতৰত ইতিহাসৰ খলনায়ক কালাপাহাৰ অন্যতম। শৰ্মা এগৰাকী অভিধান প্ৰণেতাও। জ্যোতি প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা শৰ্মাৰ দুখন উল্লেখযোগ্য অভিধান হৈছে 'The Advanced Comprehensive Anglo-Assamese Dictionary', 'Joint Concise Anglo-Assamese Dictionary'। ডঃ এ পি জে আব্দুল কালামক তিনিবাৰ সাক্ষাতৰ সুবিধা পোৱা শৰ্মাই প্ৰাক্তন 'ৰাষ্ট্ৰপতি কালামৰ সান্নিধ্য' শীৰ্ষক গ্ৰন্থখনিও লিখি উলিয়াইছে। প্ৰথমবাৰ দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত, দ্বিতীয়বাৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ বৰঝাৰ আৰু তৃতীয়বাৰ মাছখোৱা সাংস্কৃতিক প্ৰকল্পত পোৱা সাক্ষাতৰ বৰ্ণিল অভিজ্ঞতা এই কিতাপখনত সুন্দৰভাৱে শৰ্মাই বৰ্ণনা কৰিছে। ২০২১ আৰু ২০২২ চনত শৰ্মাই দুখন অনূদিত গ্ৰন্থ কথা ৰামায়ণ আৰু কথা মহাভাৰত ৰাজা গোপালাচাৰী প্ৰকাশ কৰি উলিয়াইছে। শৰ্মাই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ইতিহাস আৰু ঐতিহ্য (Gauhati High Court : History and Heritage)ৰ অনুবাদৰ মুখ্য সম্পাদক আৰু উচ্চতম ন্যায়ালয়ৰ ভাৰতবৰ্ষৰ



আদালতসমূহৰ অনুবাদৰ বিশেষ সম্পাদকৰ গুৰু দায়িত্বও বহন কৰিছে।

শৰ্মাৰ সমগ্ৰ ৰচনাৰাজিত ভাবৰ পৰিপাটি চিন্তা আৰু প্ৰকাশভংগীৰ সাৱলীলতা মন কৰিবলগীয়া। শৰ্মাক দিনটোৰ বেছিভাগ সময়েই সংগ দিয়ে মহৎ চিন্তা আৰু মহৎ গ্ৰন্থৰাজিয়ে। প্ৰজ্ঞাৰ উপাসক, পথিকৃৎ, প্ৰতিভাৱান, সৎ ব্যক্তি শৰ্মাই নিজৰ প্ৰতিবন্ধকতাক অদম্য মানসিক শক্তি আৰু অধ্যয়নপিপাসু মনে জয় কৰিব পাৰিছে। জীৱনটোক অতি সহজভাৱে মানৱীয় প্ৰমূল্যবোধেৰে সমৃদ্ধ কৰি লৈ শৰ্মাই অহৰহ সাহিত্যৰ বিশাল পথাৰখনত বিচৰণ কৰি ফুৰাত সফল হৈছে। শৰ্মাই প্ৰমাণ কৰি দেখুৱাইছে যে অনুবাদ এক কলা। এটা ভাল অনুবাদ কৰ্ম এক মূল্যৱান শিল্প কৰ্ম। অনুবাদ হ'ল দৰাচলতে এক অনুকৃতি যি কেতিয়াবা মূলৰ সৌন্দৰ্যকো অতিক্ৰম কৰে। নতুন প্ৰজন্মৰ অনুবাদ সাহিত্য, শিশু সাহিত্য আৰু অভিধানৰ জগতখনলৈ শৰ্মাই অবিৰাম বাট দেখুৱাই লৈ যাওক তাকেই কামনা কৰিলোঁ। আমি আশা কৰিম শৰ্মাই এশটা শৰতৰ শোভা চাবলৈ সমৰ্থৱান হ'ব— 'পশ্যেম শৰদঃ শতম্'।

# বিমূৰ্ততা আৰু সুন্দৰৰ সান্নিধ্যত

**১ পৃষ্ঠাৰ পৰা** কৰিবলৈ খুজিছিল। সেয়েহে তেওঁৰ ছবিত সাধাৰণতে নিৰাশা নাথাকে, থাকে আশাৰ ব্যঞ্জনা, সুন্দৰৰ প্ৰতি আকুলতা। তেওঁৰ ছবি, 'The Cage', 'The Wake', 'Santhal Virgin', 'Harijan' আদিত সেই আশা আৰু আকুলতাৰ স্বতঃস্ফূৰ্ত প্ৰকাশ দেখা যায়। 'The Wake' ছবিখনত পাইন গছৰ শাৰী আৰু শিলনিৰ ফাঁকেৰে দুৰন্ত গতিৰে নামি অহা জুৰিটিৰ উচ্ছ্বাসে যেন আমাক হেজাৰ প্ৰতিকূলতাৰ বিৰুদ্ধে যুঁজিবলৈ সাহস যোগায়। ছবিখনত বিন্দু বিন্দু ৰঙেৰে যি বলিষ্ঠ গতিময়তা অথচ সমান্তৰালভাৱে জলকণাৰ শীতল পেলৱতা প্ৰকাশ কৰিছে সেয়া নিঃসন্দেহে শিল্পীৰ নিপুণতাৰ পৰিচায়ক। বিশেষকৈ আশু দেৱৰ নৈসৰ্গিক দৃশ্যৰ চিত্ৰসমূহ অতি উচ্চস্তৰৰ আৰু ইয়াৰ সমকক্ষ চিত্ৰ সৰ্বভাৰতীয় পৰ্যায়ত কিমান আছে সেয়া সময়ে নিৰ্দ্ধাৰণ কৰিব। তেওঁৰ 'The Wake' ছবিখন 'দেশ' পত্ৰিকাৰ বেটুপাত হিচাপেও প্ৰকাশ হৈছিল (১৯৮২)।

তেওঁৰ 'Contenders', In The Cornfield", Life Moves On" আদি বহু চৰ্চিত ছবি। তেওঁৰ চিত্ৰত ৰঙৰ ব্যৱহাৰ পৰিপাটি আৰু পৰিমিত। ছবিসমূহত বিচ্ছুৰিত ৰঙৰ বিন্দুৰে কেনভাচৰ প্ৰতিটো কোণলৈ দৃষ্টি টানি নিয়ে, আকৃতি বিন্যাসত অধিক গুৰুত্ব দিয়া বাবে ভাস্কৰ্যসুলভ আবেদনো পৰিলক্ষিত হয়। তেওঁৰ ছবিৰ সজীৱতাও বিস্ময়কৰ আকৰ্ষণ।

কবি নৰকান্ত বৰুৱাদেৱৰ মতে আশু দেৱৰ বাবে 'Art has been his pshychic asylum, his forte . He didn't escape into it. He



lived in it, and life there had been a perpetual climax and it's cathasis- calm of mind, all passions spent'. বৰুৱাদেৱৰ মতে এখন চিত্ৰ অংকন কৰা সময়ত আশু দেৱৰ সৃষ্টিশীল সাধনাই 'লৌকিক ভৱ'ৰপৰা 'অলৌকিক ৰস'ৰ সৃষ্টি কৰে। এইগৰাকী শিল্পীৰ শিল্পসমূহৰ এতিয়াও উপযুক্ত পৰ্যালোচনা হোৱা নাই। তথাপি একে আষাৰে ক'ব পাৰি যে তেওঁ এগৰাকী মানুহৰ শিল্পী, মহান অসমীয়া শিল্পী। আশু ছাৰে ধেমালিতে কৈছিল— 'মই সূৰ্যৰ উপাসক। চাবি, মই কেতিয়াও আন্ধাৰত নমৰোঁ, সূৰ্যৰ মুখ নেদেখাকৈ মই নমৰোঁ।' তেওঁৰ কথাকে সত্য প্ৰমাণিত কৰি ১৯৮৩ চনৰ ৬ ফেব্ৰুৱাৰীৰ পুৱা সূৰ্যোদয়ৰ পাছতেই তেওঁ ইহসংসাৰ ত্যাগ কৰিছিল। ■

(ৰূপালী বৰ্ষ 'চিহ্ন'ত প্ৰকাশিত প্ৰবন্ধৰ কিয়দংশ)

# অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীত

**৩ পৃষ্ঠাৰ পৰা** অধিৱেশনত সভাপতিৰ পদ অলংকৃত কৰা সিংহপুৰুষ ৰায়চৌধুৰীক 'অসম কেশৰী' উপাধিৰে বিভূষিত কৰা হৈছিল। তদুপৰি তেওঁক ৰহস্যবাদী কবি, অগ্নিকবি, বিপ্লৱী কবি, ডেকাগিৰী আদি নামেৰেও অলংকৃত কৰা হৈছিল। ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিৱেশনৰ উদ্বোধনী গীত আছিল অম্বিকাগিৰী ৰচিত বিখ্যাত গীত 'বন্দো কি ছন্দেৰে, সমাগত বিৰাট নৰ নাৰায়ণ ৰূপ' আৰু লগতে তেওঁৰ আন এটা গীত 'কাৰ কি আৱাহনে'টো পৰিৱেশিত হৈছিল। এই গীতটোৰ আৰ্হিত পুথিত ২৫টা গীত সন্নিৱিষ্ট কৰা হৈছিল। স্বাধীনতা আন্দোলনৰ সময়ত ৰচিত অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰায়ভাগ গীত আছিল ভাৰত মাতৃৰ উদ্ধাৰৰ ওপৰত লিখা গীত, অসম মাতৃক উত্তোৰিত কৰি তোলাৰ গীত আৰু নিষ্পেষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ। এইবোৰ গীতত আমাৰ অতীত গৌৰৱ-ঐতিহ্য, কলা-সংস্কৃতিৰ বিষয়ে উল্লেখ থকাৰ উপৰি গীতৰ মাজেৰে তেওঁ জনসাধাৰণক দেশমাতৃক ৰক্ষা কৰাৰ বাবে ওলাই আহিবলৈ আকুল আহ্বান জনাইছিল। এনে স্বদেশপ্ৰেমৰ গীতবোৰে দেশবাসীৰ সুপ্ত শক্তি জাগ্ৰত কৰাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছিল— লগতে আমাৰ যুৱ প্ৰজন্মক দেশমাতৃৰ ৰক্ষাৰ হকে আগবাঢ়ি আহিবলৈ অনুপ্ৰেৰণা যোগাইছিল। তেওঁ জানিছিল যে এটা জাতিৰ জাতীয় সংস্কৃতিয়েহে সেই জাতিৰ অস্তিত্ব বিপন্ন নোহোৱাকৈ জীয়াই ৰাখিব পাৰে। 'অসমীয়া জাতীয় মহাসভা'ৰ জন্ম দি অসমীয়া জাতিক জীয়াই ৰখাৰ প্ৰচেষ্টা হাতত লৈছিল। অম্বিকাগিৰী ৰায়চৌধুৰীৰ অন্য এক সৃষ্টি হৈছে অতিন্দ্ৰীয় ভাবৰ উন্মেষ ঘটোৱা—

'বাজে কাৰ কিনো সুমধুৰ, আকুল চঞ্চল অন্তৰপুৰ,
মেঘাল ওৰণি
কাষৰ কৰি, ফুলাই চাৱনি চন্দ্ৰমা'
তোমাৰ পুলক পৰশ লাগি ফুলিল
যি মোৰ ফুল হে প্ৰিয়"

—আদি গীতবোৰত অন্য এক বৈশিষ্ট্য পৰিলক্ষিত হয়। ইয়াতে তেওঁ প্ৰতীকৰ সহায়ত মনৰ ভাব ব্যক্ত কৰিছে। তেওঁৰ কিছুমান আধ্যাত্মিক গীত কবিতাত কবিগুৰু ঠাকুৰৰ ৰচনাৰ সৈতে সমধৰ্মিতা থকা বুলি ক'ব পাৰি। তেওঁৰ গীতৰ ৰচনাশৈলী, শব্দ গঠন আৰু বলিষ্ঠ ছন্দ অসমীয়া ভাষা-সংস্কৃতিৰ বিশেষ সম্পদ। এইগৰাকী সিংহপুৰুষে কৃষ্টি আৰু সংস্কৃতিৰ সাধনাত দৃঢ়ভাৱে লাগি অসমৰ সমাজ জীৱন স্বচ্ছ আৰু সুন্দৰ কৰাৰ বাবে হাতে কামে লাগি গৈছিল। আচলতে কথাৰে নহয়, কামেৰে কৰি দেখুৱাইছিল— অসমীয়া জাতিক ভাল পাবলৈ— নিজকে এজন স্বাভিমানী অসমীয়া হিচাবে মূৰ তুলি থিয় দিবলৈ, অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰিবলৈ। অসম আৰু অসমীয়াৰ নিঃস্বাৰ্থ প্ৰেমিক, কুৰি শতিকাৰ অসমৰ প্ৰকৃত জাতীয়তাবাদী, বিপ্লৱী এইগৰাকী মনীষীয়ে ৮২ বছৰ বয়সত ১৯৬৭ চনৰ ২ জানুৱাৰীত ইহলীলা সম্বৰণ কৰে। ■

# সীমান্তৰ ইপাৰ-সিপাৰৰ বেদনা

**১ পৃষ্ঠাৰ পৰা** পোৱাটো কঠিন। কাৰণ কয়লাৰ ৰঙে প্ৰত্যেকৰ মুখ, শৰীৰত ক'লা প্ৰলেপ সানি চিনিব নোৱাৰা কৰি তোলে। মদন কৰ্মকাৰ নামৰ শ্ৰমিকজনো তাতেই ব্যস্ত হৈ জীৱনৰ পেটৰ ভোকৰ আকাশ নিৰ্বাপনৰ বাবে কৰ্মৰত হৈ আছে। বৰষুণৰ মাত্ৰা বেছি হ'লে প্ৰায়ে কাম বন্ধ হৈ থাকে।

কয়লাখনিৰ কাম বৰ কষ্টসাধ্য। কেতিয়াবা কয়লা খান্দি থাকোঁতে ওপৰৰ কয়লা আৰু মাটি যদি খহি পৰে, তেন্তে কয়লাখনিৰ ভিতৰত থকাসকলৰ তাতেই জীৱনৰ জ্যোতি সমাপ্ত। অথবা কেনেবাকৈ জুই লাগিলে কয়লাখনিৰ তলৰপৰা ওপৰলৈ উঠি আহে মানে অগ্নিদেৱীয়ে গ্ৰাস কৰি পেলায়। ইয়াত কাম কৰা মানে প্ৰতিমুহূৰ্ততে সতৰ্ক, ধৈৰ্য আৰু পাকৈত হোৱাটো অত্যন্ত জৰুৰী।

মেঘালয়ৰ দৰে শান্তিপ্ৰিয় ৰাজ্য এখনতো উগ্ৰপন্থীৰ কাৰ্যকলাপ তীব্ৰ গতিত বৃদ্ধি পাব লাগিছে। স্থানীয় উগ্ৰপন্থীৰ বাদেও শ্বিলং, চেৰাপুঞ্জী হৈ বাংলাদেশলৈ যাব পৰা সহজ পথ থকাৰ বাবে আলফাকে ধৰি অন্যান্য বিদ্ৰোহীৰো এই ৰাজ্য অত্যন্ত সুবিধাজনক হৈ পৰিছে। মেঘালয়ৰ স্থানীয় ছাত্ৰ আৰু সামাজিক সংগঠনসমূহে প্ৰায়ে কয়লাখনি, কাঠৰ মিল, অন্যান্য উদ্যোগত কাম কৰা শ্ৰমিকসকলক হাৰাশাস্তি কৰাৰ অভিযোগ সততে শুনা যায়। কেতিয়াবা তেওঁলোকক তাৰ পৰা খেদি পঠোৱা হয়। এনেদৰে কয়লাখনিত কাম কৰা সৰহখিনি মানুহেই নামনি অসমৰ গোৱালপাৰা, বৰপেটা, নলবাৰী আদিৰ। সামাজিক উত্তেজনা এটাই উক্ দিলেই এই শ্ৰমিকসকলৰ জীৱনলৈ নামি আহে দুৰ্যোগ। মদন কৰ্মকাৰ এই কয়লাখনিতে কাম কৰা শ্ৰমিক। কয়লাখনিত কাম কৰি যি পায় তাকে লৈ মাহেকৰ মূৰত নিজ গৃহ কাৰ্বি আংলঙৰ উত্তৰ বৰবিল পায়হি। পৰিয়ালৰ লগত এদিন থাকি পাছদিনা পুনৰ মেঘালয় যাত্ৰা। বাসন্তী দেৱী নামৰ মহিলাগৰাকী, যি গৰাকীৰ বৰ্ণনা এই লেখাৰ আৰম্ভণিতে কৰা হৈছে, তেওঁৰে পতি মদন কৰ্মকাৰ। পুত্ৰ-কন্যা আৰু পত্নীৰ বাবে তেওঁ এনে ভয়াৱহ জীৱিকা সাবটি লৈছে। কাৰ্বি আংলঙত কাম কৰাৰ পৰিৱেশে তেওঁক সহায় নকৰে। কেতিয়া কি হয়, তাৰ কোনো ঠিক নাই।

অৱশেষত এদিন কোনেও বিশ্বাস নকৰাকৈ সেই ভয়ানক ভয়লগা খবৰটো আহিল। বাসন্তী দেৱীৰ জীৱনৰ আটাইতকৈ বেদনা, হতাশা, অনিৰাপত্তা আৰু দুৰ্যোগৰ খবৰটো। খাচি উগ্ৰপন্থীয়ে কয়লাখনিত কাম কৰা এঘাৰজন শ্ৰমিকক হত্যা কৰিলে। মদন কৰ্মকাৰৰ মৃতদেহ যেতিয়া আৰক্ষীয়ে পৰিয়ালৰ লোকক চমজাই দিছিল তেতিয়া সমগ্ৰ পৃথিৱীখনেই বাসন্তী দেৱীৰ জীৱনৰপৰা খহি পৰিছিল। শূন্য এখন জগত। ক'লা, ধূসৰ, ধূমায়িত মানুহবোৰ, প্ৰত্যেকৰ যেন মূৰ নাই। প্ৰত্যেকেই যেন ছিন্নমস্ত একোডাল গছ। হাত-ভৰি নোহোৱা মানুহৰ দৰে বহুসময় জঠৰ হৈ পৰি ৰ'ল বাসন্তী দেৱী।

মদনৰ মৃত্যুৰ পাছৰ পৰ্ব বাসন্তী দেৱীৰ বাবে আৰু হৃদয় বিদাৰক। দিন-ৰাতি একাকাৰ কৰি দুচকুৰে বাসন্তী দেৱীৰ কেৱল জলপ্ৰপাত। কন্যা সন্তানগৰাকীৰ বয়স তেতিয়া চাৰে তিনি বছৰ। পুত্ৰ সন্তান পানী কেঁচুৱা। সিহঁতৰ যতন, পোহপাল এক দুঃসাধ্য কামৰূপে চিহ্নিত হৈ পৰিল।

বাংলাদেশৰ ঘূৰ্ণী বতাহ, প্ৰৱল বানপানী আৰু এচাম অন্ধ, উন্মাদ, মৌলবাদী লোকৰ চিন্তা-চেতনাত ঠন লোৱা বিদ্বেষে বাসন্তী দেৱীক এদিন ধুবুৰী জিলাৰ সীমান্তৰ মুক্ত কাঁটাতাঁৰৰ ফাঁকেৰে অসম পোৱালেহি। সীমান্তৰ নিৰাপত্তাৰক্ষী আৰু আৰক্ষীৰ চকুত ধূলি দি প্ৰাণৰ মমতাত বাসন্তী দেৱীয়ে এই ভূমিত ভৰি থৈ বিৰল, বিমল প্ৰশান্তি অনুভৱ কৰিলে। ইয়াৰ মাটি, প্ৰকৃতিৰ সীমাহীন ৰূপ, লাৱণ্য আৰু মানুহৰ অন্তৰ ভৰা মৰম, প্ৰেমে মানুহৰ পৃথিৱী এখন দিলে। যেন জীৱনৰ প্ৰচ্ছন্ন অন্নজানৰ শিবিৰত তাইৰ জীৱন ৰথৰ ৰং পুনৰ প্ৰাণৱন্ত হৈ উঠিল। এদিন তাই মদনৰ লগত চিনাকি হ'ল আৰু তাৰ পাছত বিয়া। এখন বিশাল শইচৰ পথাৰ দেখি বাসন্তীয়ে স্বৰ্গখন হাততে ঢুকি পোৱা যেন পাইছিল। কিন্তু তাইৰ সেই স্বৰ্গৰ বাট বন্ধ হ'বলৈ বৰ বেছিদিনৰ প্ৰয়োজন নহ'ল। অস্থিৰ কাৰ্বি আংলঙৰ ধাতৰ হুচিয়াৰি আৰু বাৰুদ সৰ্বস্ব পৰিৱেশে তাইক আকৌ যন্ত্ৰণাত দগ্ধ কৰিলে। কাজেই মদনৰ পৰামৰ্শ মৰ্মেই তাক এদিন মেঘালয়ৰ কয়লাখনিলৈ পঠাই দিছিল।

এতিয়া মদনবিহীন জীৱনত তাই পৰপুৰুষৰ কামাৰ্ত চকুবোৰৰপৰা সৰকিবলৈ কি কি যে অভিনয় কৰিব লগা হৈছে। স্বামীহাৰা এগৰাকী বিধৱাক সহায় কৰিবলৈ পুৰুষবোৰৰ কিয় ইমান উৎসাহ তাই বুজি নাপায়। তাই চৰিত্ৰৱান। গতিকে তাই নিজকে চম্ভালি চলিছে। অন্ততঃ তাই নাখাই মৰিব, কিন্তু দুঃচৰিত্ৰা হ'ব নোৱাৰে। তেনে কাম তাই কৰিব নোৱাৰে।

দাৰোগা মৃণ্ময় বৰুৱাই মোৰ কাৰ্যালয়লৈ বাসন্তী দেৱী, তাইৰ কন্যা ৰঞ্জিতা, পুত্ৰ প্ৰদীপক আনি মোৰ সন্মুখত থিয় কৰালে। বাসন্তী দেৱীয়ে মোৰ ভৰিত ধৰি হুকহুকাই কান্দিলে। জন্মসূত্ৰে বাসন্তী দেৱীৰ সন্তানক আমি বাংলাদেশী কৰিব নোৱাৰোঁ। আনকি সীমান্তৰ ডিটেনচন কেম্পলৈও পঠাব নোৱাৰোঁ। কিন্তু বাসন্তী দেৱীক যদি পঠাওঁ তেন্তে তেওঁৰ সন্তানৰ কি হ'ব?

মোৰ কণমানি ছোৱালীজনীৰ মুখখন মানসপটত ভাহি উঠিল। আইন, আদালত, ৰাজনীতি, দেশ, ধৰ্মৰ মাজত আমি কেতিয়াবা কেনেকৈ 'মানৱতা' নামৰ পৰিভাষাটোক বিসৰ্জন দিবলগা হয়? ছোৱালীজনীয়ে মোক এনেভাৱে চাইছে যেন মোৰ ওপৰতে সিহঁতৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে। মোৰ বুকুত প্ৰচণ্ড ধুমুহা, ঠিক ভূপেনদাৰ পৰ্দাৰ ধুমুহাই উৰুৱাই নিছিলে...। মোৰ বৰ দুখ লাগিল, তাতোকৈ যন্ত্ৰণাই বেছি পীড়া কৰিলে। কি কৰিম, কি নকৰিম, এক দোদুল্যমান সময়ত যেন মোৰ ত্ৰিশংকু অৱস্থান। নাই শিশু দুটিৰ উপযুক্ত নিৰাপত্তা অবিহনে মানুহগৰাকীক সীমান্তৰ ডিটেনচন কেম্পলৈ পঠাব নোৱাৰি। মৃণ্ময় বৰুৱাক ক'লোঁ এখন আৱেদন কৰক শিশু দুটিৰ বিষয়ে সবিশেষ উল্লেখ কৰি আদালতক। আদালতে নিৰ্দেশ নিদিয়া পৰ্যন্ত এওঁলোকক আৰক্ষী জিম্মাতে ৰখাৰ বাবে অনুমতি বিচাৰিব।

বাসন্তী দেৱীহঁতক মৃণ্ময় বৰুৱাৰ লগত পঠাই দি ভগৱানক হাতযোৰ কৰি ক'লোঁ— হে ভগৱান তুমি মানুহক কি কি আৰু পৰীক্ষা নোলোৱা? ■